জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১৬/২০২১

# পাণবজাৰৰ স্বয়ংক্ৰিয় বহুমহলীয়া গাড়ী পাৰ্কিং মুকলি কৰি জনসাধাৰণৰ সেৱাত উৎসৰ্গিত কৰিলে মুখ্যমন্ত্ৰীয়ে

# গুৱাহাটী পৌৰ নিগমৰ কৰ্মচাৰীসকলৰ সুৰক্ষা নিশ্চিতকৰণৰ পোৰ্টেল মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৬ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনিৰ উন্নীতকৰণৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ পাণবজাৰৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল চৌহদৰ সমীপত নিৰ্মাণ কৰা স্বয়ংক্ৰিয় বহুমহলীয়া গাড়ী পাৰ্কিং আনুষ্ঠানিকভাৱে মুকলি কৰি জনসাধাৰণৰ সেৱাত উৎসৰ্গিত কৰে। উল্লেখ্য যে এই বহুমহলীয়া গাড়ী পাৰ্কিঙত ১৪০ খন গাড়ী ৰখাৰ ব্যৱস্থা আছে আৰু ১১ কোটি টকা ব্যয় সাপেক্ষে ইয়াক নিৰ্মাণ কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই নতুন গাড়ী পাৰ্কিঙে মহানগৰীৰ জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰিব। গুৱাহাটী মহানগৰীৰ হৃদপৃণ্ডত অৱস্থিত পাণবজাৰ আৰু ফাঁচী বজাৰলৈ অহা জনসাধাৰণৰ গাড়ী পাৰ্কিঙৰ সমস্যা এই ব্যৱস্থাই যথেষ্ট লাঘৱ কৰিব বুলিও তেওঁ কয়। মহানগৰীৰ পথত যধে-মধে গাড়ী ৰখোৱা সমস্যাটো লাঘৱৰ দিশতো এই গাড়ী পাৰ্কিংটোৱে বিশেষভাৱে সহায় কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে এই গাড়ী পাৰ্কিঙত গাড়ী ৰাখি এক সুশৃংখলিত ব্যৱস্থা গঢ়ি তোলাৰ দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আশোক সিংহলক পাণবজাৰ তথা জুৰোডৰ শ্ৰদ্ধাঞ্জলি কাননৰ ওচৰত থকা স্বয়ংক্ৰিয় গাড়ী পাৰ্কিং ব্যৱহাৰকাৰীসকলৰ বাবে এই বৰ্ষৰ ডিচেম্বৰ পৰ্যন্ত বিনামূলীয়া কৰাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে।

গুৱাহাটী মহানগৰীৰ সৰ্বাংগীন বিকাশৰ দিশত থকা চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ব্যৱহাৰ নকৰা তথা মুক্ত চৰকাৰী ভূমিসমূহ সেউজ আৱৰণ অথবা পাৰ্কিঙৰ স্থান হিচাপে ৰাজ্য চৰকাৰে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটী মহানগৰীক টায়াৰ-১ মহানগৰীলৈ ৰূপান্তৰ কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে ইতিমধ্যে এক বিস্তৃত পৰিকল্পনা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। এই অনুসৰি মহানগৰীৰ আন্তঃগাঁথনি সৃষ্টিৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব। এই পৰিকল্পনা অনুসৰি গুৱাহাটী ক্লাবৰ পৰা নুনমাটিলৈ ছয়লেনযুক্ত ইলেভেটেড পথ নিৰ্মাণ কৰা হ'ব। তদুপৰি, পলাশবাৰী হৈ এয়াৰপৰ্টৰ পৰা শুৱালকুছিলৈ আৰু বাইহাটা হৈ ছিপাঝাৰলৈ আৰু কুৰুৱা হৈ নাৰেংগী সংযোগী এক ৰিং পথ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গুৱাহাটী পৌৰ নিগমৰ ছয়টা মাণ্ডলিক এলেকাত গোটা আৱৰ্জনা ব্যৱস্থাপনা

প্ৰকল্প স্থাপন কৰা হ'ব। তদুপৰি, ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ প্ৰকল্প হাতত লোৱা হ'ব বুলি উল্লেখ কৰি ইয়াৰ কাম অচিৰেই আৰম্ভ হ'ব বুলি তেওঁ কয়।

আজিৰ এই একেটা কাৰ্যসূচীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটী পৌৰ নিগমৰ কৰ্মচাৰীসকলৰ কল্যাণ আৰু সুৰক্ষাৰ দিশত সহায়ক হোৱাকৈ এটা নতুন পোৰ্টেল মুকলি কৰে। এই পোৰ্টেল মুকলি উপলক্ষে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী পৌৰ নিগমৰ ৫ গৰাকী কৰ্মচাৰীলৈ ৫ খন চিম কাৰ্ড প্ৰদান কৰে। এই প্ৰকল্পই গুৱাহাটী পৌৰ নিগমৰ ২৫০০ গৰাকী কৰ্মচাৰীক উপকৃত কৰিব। এই চিম ভিত্তিক মোবাইল চলুশ্যনে জৰুৰীকালীন সময়ত কৰ্তব্যত নিয়োজিত হৈ থকা গুৱাহাটী পৌৰ নিগমৰ কৰ্মচাৰীৰ অৱস্থিতি নিৰ্দ্ধাৰণ কৰাৰ দিশত বিশেষভাৱে সহায় কৰিব।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আশোক সিংহল, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ উপাধ্যক্ষ মুকুতা ডেকা, নগৰ পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিং, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৬/০৮/২০২১**